
পাঠ - ৯

# মণ্টুৰ খেতি


B6L4Q5

আহিন মাহৰ আজি দেওবাৰ। মণ্টুৰ পঢ়াশালি বন্ধ। সেয়েহে মণ্টুৱে আজি ঘৰতে দেউতাকৰ কামত সহায় কৰিম বুলি মনতে ভাবিছে। এনেতে, দেউতাকে বজাৰৰ পৰা আনি থোৱা আলুখিনিৰ ওপৰত মণ্টুৰ চকু পৰিল। আলুবোৰৰ গাত কিছুমান বগা গজালি দেখি সি আচৰিত হ'ল। আলুবোৰ ছুই চাই গম পালে যে সেইবোৰ কোমল হৈ উঠিছে। মণ্টুৱে আলুবোৰ নষ্ট হোৱা বুলি ভাবি দেউতাকক কথাটো কি হৈছে সুধিলে। দেউতাকে ক'লে যে আলুৰ গজালি ওলাইছে আৰু এই গজালি ওলোৱা আলুবোৰ তেওঁ খেতিৰ বীজ হিচাপে ব্যৱহাৰ কৰিব।





মণ্টুৱে দেউতাকৰ লগত আলু খেতি কৰিবলৈ ঘৰৰ ওচৰতে থকা পথাৰখনলৈ গ'ল। ইতিমধ্যে দেউতাকে মাটিডৰা হাল বাই গুৰি কৰি মৈয়াই থৈছিল। দুয়ো মাটিডৰাত প্ৰথমে শাৰী শাৰীকৈ খান্দি আলুবোৰ এটা এটাকৈ শাৰীত দি মাটিৰে ঢাকি দিলে। মণ্টুৱে দেখিলে যে দেউতাকে নিৰ্দিষ্ট দূৰত্ব ৰাখিহে আলুবোৰ ৰুইছে। সিও দেউতাকৰ দৰেই ৰুবলৈ ধৰিলে। আলু ৰুই থাকোঁতে দেউতাকে কৈ গ'ল যে আলুখেতিৰ বাবে বালিচহীয়া মাটি অতি উত্তম।





দহদিন মানৰ পাছত মণ্টুৱে খেতিডৰা চাবলৈ গৈ অবাক হ'ল। কি ধুনীয়া দৃশ্য! প্ৰত্যেকটো আলুৰ পৰা মাটি ফুটি পুলি ওপৰলৈ উঠিছে আৰু পুলিত দুই তিনিটাকৈ সৰু সৰু পাত ওলাইছে। সি দেখিলে যে দেউতাকে পুলিবোৰৰ কাষে কাষে দুয়োফালৰ পৰা মাটি চপাই দিছে। পিছলৈ মণ্টুৱে মন কৰিলে, পুলিবোৰ যিমানেই ওখ হয়, দেউতাকে সিমানেই মাটি চপাই দিয়ে। দেউতাকে মাটি চহোৱাৰ আগৰ পৰাই মাজে সময়ে মাটিত সাৰ দিয়ে। তেওঁ ঘাইকৈ গোবৰ সাৰহে দিয়ে।

প্ৰায় তিনিমাহ মানৰ পিছত এদিন মণ্টুৱে দেউতাকৰ সৈতে আলুখেতি চাবলৈ গৈ দেখিলে যে গোটেই আলু গছবোৰ দেখোন পাত শুকাই মৰি গৈছে। সি খেতিডৰা নষ্ট হৈ যোৱা বুলি ভাবি মনত বৰ দুখ পালে। দেউতাকে তেতিয়া মণ্টুক বুজাই দিলে যে মাটিৰ তলত আলুবোৰ পূৰ্ঠ হ'লে গছৰ পাতবোৰ শুকাই মৰহি যায়। তেতিয়া আলুবোৰ মাটিৰ পৰা খান্দি উলিয়াই চপাই আনিব লাগে। মণ্টুৱে কথাবোৰ বুজি লৈ আনন্দমনেৰে খন্তি এখন লৈ দেউতাকৰ লগত মাটি খান্দি আলুবোৰ চপাই আনিলে।




➢ তোমালোকে ঘৰত কি কি খেতি কৰা কোৱা।

আলু এবিধ উত্তম খাদ্য। ই দেহত শক্তি যোগায়। আলুৰ উপৰি আৰু বহুতো খাদ্য বস্তুক আমি আহাৰ হিচাপে গ্ৰহণ কৰোঁ। এই আহাৰ খাই আমি জীয়াই থাকোঁ। আমাৰ আহাৰ বিভিন্ন ধৰণৰ। ভাত আমাৰ প্ৰধান আহাৰ। চাউলৰ পৰা ভাত হয়। চাউল আমি ধানৰ পৰা পাওঁ। সেইদৰে ঘেঁহুৰ পৰা আটা হয়। আমি আটাৰ পৰা ৰুটি তৈয়াৰ কৰি খাওঁ। ভাত, ৰুটিৰ উপৰি আমি দাইল, শাক-পাচলি, তেল, চেনি, ফল-মূল আদি খাওঁ। এই সকলোবোৰ বস্তু আমি শস্যৰ পৰা পাওঁ। এই খাদ্য-শস্যবোৰ পাবৰ বাবে আমি খেতি কৰোঁ। কেৱল নিজে খোৱাৰ কাৰণেই নহয়, বিক্ৰী কৰিবৰ বাবেও খাদ্য-শস্যৰ খেতি কৰা হয়। খেতি-বাতি কৰি বহুলোকে জীৱিকা-নিৰ্বাহ কৰে।

বছৰৰ বিভিন্ন সময়ত পথাৰত লহ্পহ্কৈ বাঢ়ি অহা ধাননি ডৰা দেখিলে চকু মন জুৰ পৰি যায়। সেইদৰে সৰিয়হ ফুলিবৰ সময়তো পথাৰখন চালে চকুৰোৰা হৈ পৰে।

ধান, মাহ, তেল, মচলা জাতীয় শস্য, কুঁহিয়াৰ, মৰাপাট, আদিয়েই অসমত হোৱা প্ৰধান শস্য। তদুপৰি আলু, বেঙেনা, বিলাহী, জলকীয়া খেতিও আমাৰ ৰাজ্যত প্ৰচুৰ পৰিমাণে কৰা হয়।



**শস্যবোৰৰ নাম জানো আহা—**



**ধান জাতীয় শস্য—** আহু, শালি, বাও আদিয়েই প্ৰধান।



**মাহ জাতীয় শস্য—** মাটিমাহ, মগুমাহ, ৰহৰ, মচুৰ, মটৰমাহ আদিয়েই প্ৰধান।



**তেল জাতীয় শস্য—** তিল, সৰিয়হ, তিচি, বেলিফুল আদিয়েই প্ৰধান।




**মচলা জাতীয় শস্য—** আদা, হালধি, জালুক, জিৰা, ধনিয়া আদিয়েই প্ৰধান।

সকলো খেতি একে সময়তে কৰা নহয় । ভিন ভিন খেতি কৰিবলৈ ভিন ভিন ঋতু বা সময়ৰ প্ৰয়োজন । সেয়েহে কিছুমান খেতি বাৰিষা কালত আৰু কিছুমান খেতি খৰালি কালত কৰা হয় ।

**বছৰৰ কোন সময়ত ঘাইকৈ কি খেতি কৰা হয় তলৰ তালিকাৰ পৰা জানি লওঁ আহা—**

সাধাৰণতে বাৰিষা কালত হোৱা খেতিবোৰ হ'ল— তিঁয়হ, জিকা, ভেণ্ডি, ভাতকেৰেলা, পটল আদি।



খৰালি কালত হোৱা খেতিবোৰ হ'ল— কবি, মূলা, আলু, পিঁয়াজ, পালেং, ধনিয়া আদি।



জানি লওঁ আহা—


- বিশেষ কৌশল প্ৰয়োগ কৰি উন্নতমানৰ বীজ ৰোপণ কৰি বাৰিষা কালত হোৱা শাক-পাচলিৰ খেতি খৰালি কালতো কৰিব পৰা যায়। তেনেদৰে খৰালি কালৰ খেতিও বাৰিষাকালত কৰিব পাৰি।
- আজিকালি খেতি কৰোঁতে বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰা হয়। ইয়াৰ বাবে শস্যৰ উৎপাদন বাঢ়ে, বেমাৰ-আজাৰ কমে আৰু কম দিনতে খেতি সম্পূৰ্ণ কৰিব পাৰি। বৈজ্ঞানিক পদ্ধতিত খেতিয়কৰ শ্ৰমৰো লাঘৱ হয়।
- খেতিৰ পৰা অধিক উৎপাদন পাবলৈ খেতিত সাৰ প্ৰয়োগ কৰা হয় ।
- গছ-গছনি, শাক-পাচলি আৰু ফল-মূলৰ পেলনীয়া অংশ কিছুদিন গাঁতত পুতি থৈ আমি পচন সাৰ প্ৰস্তুত কৰি ল'ব পাৰোঁ।

**ক্ৰিয়া-কলাপ**





- এমুঠি বুটমাহ লোৱা ।
- এটা পাত্ৰত পানী লৈ বুটকেইটা তিয়াই থৈ কোমল হ'বলৈ দিয়া ।
- বুটকেইটা কুমলিলে পানীৰ পৰা তুলি আনি খৰাহি এটাত এদিন ৰাখি থোৱা ।
- এই বুটমাহকেইটা কোমল মাটিত সিঁচি দিয়া। নিতৌ পানী দি থাকিবা।
- দহদিনমানৰ পিছত লক্ষ্য কৰা আৰু কি দেখিলা টোকাবহীত লিখা।



(কামটো কৰোঁতে ঘৰৰ অভিভাৱক বা শিক্ষকৰ সহায় ল'বা)

## অনুশীলনী

১) উত্তৰ লিখা —

(ক) মণ্টুৰ দেউতাকে কোনবোৰ আলু বীজ হিচাপে ব্যৱহাৰ কৰিছিল ?

(খ) দহ দিন মানৰ পাছত মণ্টুৱে খেতিডৰাত কি দেখা পালে ?

(গ) তিনি মাহৰ পাছত আলু খেতি চাবলৈ গৈ মণ্টুৱে মনত কিয় দুখ পাইছিল ?

(ঘ) খেতি আৰম্ভ কৰাৰ পৰা আলু পূৰঠ হোৱালৈকে কিমান সময় লাগিছিল ?

(ঙ) আলুবোৰ পূৰঠ হ'লে গছবোৰৰ কি হয় ?

২) কেইবিধমান শস্যৰ নাম লিখা।

৩) তোমালোকৰ অঞ্চলত বাৰিষা কালত আৰু খৰালি কালত ঘাইকৈ কি কি খেতি কৰা হয় লিখা।

৪) শুদ্ধ উত্তৰত '✓' চিন দিয়া —

(ক) আলু খেতিৰ বাবে বালিচহীয়া মাটি অতি উত্তম।

(খ) আহু, শালি, বাও আদি মাহ জাতীয় শস্য।

(গ) আলু পূৰঠ হ'লে গছৰ পাতবোৰ শুকাই যায়।

(ঘ) ঘেঁহুৰ পৰা ভাত হয়।

(ঙ) ধান, মাহ, সৰিয়হ আদি শস্যৰ খেতি একে সময়তে হয়।

৫) খালী ঠাই পূৰ কৰা —

(ক) মণ্টুৰ দেউতাকে .................................. মাহত আলু খেতি কৰিছিল।

(খ) গজালি ওলোৱা আলুবোৰ................হিচাপে ব্যৱহাৰ কৰি মাটিত ৰুই আলু খেতি কৰা হয়।

(গ) খেতি-বাতি কৰি বহু লোকে................................ নিৰ্বাহ কৰে।

(ঘ) তিল, সৰিয়হ, বেলিফুল আদি ..............................জাতীয় শস্য।

(ঙ) খেতিৰ পৰা অধিক উৎপাদন পাবলৈ খেতিত .......................... প্ৰয়োগ কৰা হয়।

৬) তলত দিয়া শস্যৰ পৰা আমি কি কি খাদ্যবস্তু পাওঁ লিখা।

কুঁহিয়াৰ, ধান, ঘেঁহু, সৰিয়হ, বেলিফুল।

৭) পচন সাৰ কেনেকৈ প্ৰস্তুত কৰিব পাৰি ?